জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ১৩৭/২০২০

## তিনিচুকীয়া জিলাৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ ব্যৱস্থা পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ যাতে কোনো ধৰণৰ নাটনি নহয় তাৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ পদক্ষেপ লৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ মাৰ্চ ঃ** তিনিচুকীয়া জিলাত ন'ভেল কৰ'না ভাইৰাচৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে পৰ্যালোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠকত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে লক্-ডাউন সময়ছোৱাত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ যাতে কোনো ধৰণৰ নাটনি নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ সুৰক্ষাৰ বাবে যি ২১ দিনীয়া লক্-ডাউনৰ আহ্বান জনাইছে, সেই আহ্বান সকলোৱে মানি চলিব লাগিব। কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে জনসাধাৰণক আহ্বান জনাইছে। ইয়ে কৰ'না ভাইৰাছ ৰোধৰ একমাত্ৰ উপায় বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে জিলাখনত স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বুজ লয়। অত্যাৱশ্যকীয় সামগ্ৰীক যাতে কোনো ধৰণৰ নাটনি নহয়, তাৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে চাহ বাগিছাকে ধৰি জিলাখনৰ প্ৰতিটো এলেকাতে ব্যাপক জনসচেতনতা সৃষ্টি কৰিব লাগিব।

আজিৰ এই বৈঠকত চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে সুৰেন ফুকন, বলিন চেতিয়া, তেৰচ গোৱালা, উপায়ুক্ত ভাস্কৰ পেগু, আৰক্ষী অধীক্ষক প্ৰমুখ্যে জিলাখনৰ উচ্চপদস্থ বিষয়া আৰু বিভিন্ন ব্যৱসায়িক সংগঠনৰ প্ৰতিনিধি উপস্থিত আছিল।

**পুঃডেঃ / বীঃগঃ**
**২৭/০৩/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in